**FACULTY HIGHER SECONDARY SCHOOL**
**HALF YEARLY SAMPLE PAPER---2019**
**CLASS- IX**
**SUBJECT-- ASSAMESE**
**Time-2•45. F•M•-80**

**(ক-অংশ)**

**১।তলত দিয়া অনুচ্ছেদটো পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উওৰ লিখা --**

অসমলৈ বিভিন্ন সময়ত বিভিন্ন প্ৰান্তৰ পৰা অনেক নৃ -গোষ্ঠীৰ প্ৰব্ৰজন ঘটিছিল। ভাৰতবৰ্ষৰ কেইবাখনো ৰাজ্যৰ পৰা চাহ জনগোষ্ঠীৰ লোকসকল অসমলৈ আহিছিল। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে চাহ শ্ৰমিকৰ চাহিদা পূৰণ কৰিবলৈ
ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলৰ পৰা সংগ্ৰহ কৰি আনিছিল। কোম্পানীয়ে ১৮৩৫ চনৰ পৰা উজনি অসমৰ চাবুৱাত প্ৰথমে চাহৰ পদ্ধতিগত ৰোপণ কাৰ্য আৰম্ভ কৰে। ইয়াৰ চাৰি বছৰৰ পাছত অসম চাহ কোম্পানী গঠন হয়। অসম চাহ কোম্পানীৰ অধীনত চাহ খেতি লাহে লাহে প্ৰসাৰিত হৈছিল।কিন্তু প্ৰয়োজন অনুসৰি থলুৱা শ্ৰমিকৰ অভাৱ আছিল। সেয়ে চীন দেশ আৰু ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ পৰা শ্ৰমিক সংগ্ৰহ কৰাৰ কথা চিন্তা কৰে।পশ্চিমবংগ বিহাৰ
মধ্যপ্ৰদেশ উওৰপ্ৰদেশ অন্ধ্ৰপ্ৰদেশ মাদ্ৰাজ আদি ৰাজ্যৰ পৰা শ্ৰমিক সংগ্ৰহ কৰি আনিছিল। এনেদৰে অসমলৈ শ্ৰমিক সংগ্ৰহ কৰি অনা কাৰ্যক মজদুৰ চালান বুলি কোৱা হৈছিল। মজদুৰ চালান দুইধৰণৰ আছিল।এটা হল গিৰমিটিয়া চালান আৰু আনটো হল আড়কাঠিয়া চালান। লিখিত চুক্তি অনুসৰি নিৰ্দষ্ট সময়ৰ বাবে শ্ৰমিক অনাটোক গিৰমিটিয়া চালান আৰু কোনো চুক্তি নকৰাকৈ চলেবলে কৌশলে সংগ্ৰহ কৰাটোক আড়কাটিয়া চালান বুলি কোৱা হৈছিল
।

ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ পৰা শ্ৰমিকসকল আহিছিল।তেওঁলোকৰ জাতি বৰ্ণ ধৰ্ম ভাষা কৃষ্টি-সংস্কৃতি আছিল বেলেগ বেলেগ।কিন্তু অসমলৈ আহি চাহ বাগিচাৰ একে পৰিবেশত থাকি কাম কৰিব লগা হয়। প্ৰথমাৱস্থাত কিছু অসুবিধাৰ সৃষ্টি হলেও সময় বাগৰাৰ লগে লগে পাৰস্পৰিক সংযোগ গঢ়ি উঠিল।চুক্তিবদ্ধ এচাম কৰ্মী নিজ ঠাইলৈ উভতিল যদিও বাকীসকল এই অসমকে নিজ ভূমি বুলি ভাবি ৰৈ গল।অসমতে স্থায়ীভাবে থাকি যোৱা শ্ৰমিকসকলৰ মাজত উমৈহতীয়া এটা সংযোগী ভাষা গঢ় লৈ উঠিল যাক বাগানীয়া ভাষা বুলি অভিহিত কৰা হয়।

চাহ জনগোষ্ঠী এতিয়াঅসমৰ সমাজ জীৱনৰ এক অন্যতম বৃহৎ অংশ।এওঁলোকৰ ভিতৰত হিন্দু আৰু খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকৰ সংখ্যা সৰহ। চাহ জনগোষ্ঠী সমাজখনৰ মাজত অনেক জাতি উপজাতি আৰু সমদায় আছে।ইয়াৰে কিছুমান হল ---ওৰাওঁ মূণ্ডা তাঁতী গোৱাল
কমাৰ কঁহাৰ কৈৰী খদাল ইত্যাদি।

ক) অসমৰ প্ৰথম চাহ বাগিচা কোনখন আৰু কেতিয়া স্থাপন হৈছিল ?- ২
খ) অসমৰ প্ৰথম চাহ কোম্পানীৰ নাম কি আৰু কেতিয়া স্থাপিত হৈছিল ? ২
গ) মজদুৰ চালান কেই ধৰণৰ আৰু কি কি ? ২
ঘ)চাহ জনগোষ্ঠীৰ মাজত কি কি ধৰ্মৰ লোক আছে ? ২
ঙ)চাহ জনগোষ্ঠীৰ সমাজৰ দুটা জাতি উপজাতিৰ নাম লিখা । ২
চ)বাগিচাৰ সমাৰ্থক শব্দ কি ? ১
ছ)আৰম্ভ শব্দটোৰ বিপৰীত শব্দ কি ? ১
জ)জাতি শব্দটোৰ বিশেষণ শব্দ কি ? ১

(খ-অংশ)

২। তলত দিয়া সংকেত বাক্যবোৰৰ আলমত গল্প এটা লিখি তাৰ শিৰোনামা দিয়াৰ লগতে গল্পটোৰ কি নীতিশিক্ষা পালা লিখা –৫

পশুৰাজ সিংহ শুই থাকোঁতে এটা নিগণি ওপৰেৰে পাৰ হ'ল –সিংহই মাৰিব খুজিলে —জীৱন দানৰ প্ৰাৰ্থনা – উপকাৰ কৰাৰ প্ৰতিশ্ৰুতি- সিংহৰ অৱহেলাৰ হাঁহি —এদিন জালত পৰিল – নিগণিয়ে জাল কুটি মুকলি কৰি দিলে ।

নাইবা

খ) তলত দিয়া যি কোনো এখন ৰচনা লিখা – ৫

১। স্বাধীনতা দিৱস ২। পুথিভঁৰাল

৩। ভাব বহলাই লিখা –(যিকোনো এটা ) ৫

ক ) কিনা হাঁহৰ ঠেঁটোলৈকে মঙহ ।

খ ) গোৰ মাৰি গংগাত পেলোৱা ।

৪ । ভাব সম্প্ৰসাৰণ লিখা – ৫

বিদ্যা মানৱ মনৰ দীপ্তি , তাৰ ৰশ্মিৰ পোহৰত কাম কৰি মানুহে ধন ,মান আৰু যশস্যা লাভ কৰে

.৫ । বাক্য ৰচনা কৰা – ১ X ৫ =৫

অমাতৰ মাত , অহুকাণে-পহুকাণে , আলাসৰ লাডু ,এৰা-ধৰা ,কপাৰ লাখুটি

৬ । তোমাৰ বিদ্যালয়ত পালন কৰা দ্বিবাৰ্ষিক সংস্কৃতিক সন্নিয়াৰ ওপৰত এখন প্ৰতিবেদন যুগুত কৰা । —৫

( গ-অংশ )

৭ ।অনিয়মিত অনুৰূপ কাক বোলে ? ১

৮ । তলত দিয়া অনুকাৰ শব্দ কেইটা বাচি উলিওৱা - ১

মাছ-তাছ , কেৰ্ -কেৰ্ , বা-বাতৰি , টং-টং

৯ । সন্ধি ভাঙা আৰু পাতা -( যিকোনো দুটা ) ১X২=২

মহেশ , মহা +উদয়= , হতাহত , সদা +আনন্দ

১০ । বস্তুবাচক বিশেষ্য পদ কাক বোলে ? বস্তুবাচক বিশেষ্য পদৰ দুটা উদাহৰণ লিখা । ১+১=২

১১ । তলত দিয়া আচটনা বোৰ কি পদ নিৰ্ণয় কৰা । ১X২=২

ক) লাহে লাহে খাবা । খ) কুলিৰ মিঠা মাতে পৃথিৱীলৈ বসন্ত নমাইছে ।

১২ । ক্ৰিয়া পদ কাক বোলে ? ১

১৩ । অব্যয় পদ কাক বোলে ? উদাহৰণ দি লিখা । ২

১৪। সমাপিকা ক্ৰিয়া আৰু অসমাপিকা ক্ৰিয়াৰ এটাকৈ উদাহৰণ লিখা । ১+১=২

১৫। তলত দিয়া অব্যয় কেইটাৰে এটাকৈ বাক্য সাজা —(যি কোনো ৩টা ) ১x৩=৩

বিন্তু , হেৰৌ , জানো , বাৰু ,হলে

১৬।লিংগ পৰিৱৰ্তন কৰা –( যিকোনো দুটা ) ১x২=২

জলগুঁই , মুনিহ , ভদ্ৰ , সেৱক

১৭। উভয় লিংগ কাক বোলে উদাহৰণ দি লিখা – ২

(ঘ অংশ )

১৮। শুদ্ধ উত্তৰ বাচি উলিওৱা –( যিকোনো চাৰিটা) ১x ৪=৪

ক) চন্দ্ৰকুমাৰ আগৰৱালা কোন চনত জন্ম –

১)১৮৬৭

২)১৯৩৮

৩)১৯১৪

খ)প্ৰাচুৰ্য মানে –

১)উভৈনদী হৈ থকা অৱস্থা ।

২)বিপুল ধন সমপতি ।

৩)হীৰেণ ভট্টাচাৰ্যই একাডেমী বঁটা কোনখন কবিতা পুথিৰ বাবে লাভ কৰে –

১)শইচৰ পথাৰ মানুহ ।

২)সুগন্ধি পখিলা ।

৩)তোমাৰ বাবে।

ঘ) ড ভূপেন হাজৰিকাৰ এৰাবাটৰ সুৰ কোন চনৰ —

১)১৯৫৬

২)১৯৫৪

৩)১৯৮৮

ঙ)ড ভূপেন হজৰিকাই পৰিচালনা কৰা তথ্য চিত্ৰৰ সংখ্যা –

১)নখন ।

২)আঠখন ।

৩)ছয়খন ।

চ)চন্দ্রকুমাৰ আগৰৱালাৰ ৰচিত প্ৰথম ৰোমান্টিক কবিতা পুথি হ'ল —

১)কনকুঁৱৰী ।

২)বীণ-বৰাগী।

৩)চন্দ্ৰামৃত

১৯) তলত দিয়া প্ৰশ্নবোৰৰ উওৰ দুই বা তিনিশাৰী মানৰ ভিতৰত লিখা —(যিকোনো এটা) ১X২=২

ক) ড ভূপেন হাজৰিকাৰ দুখন চলচ্চিত্ৰৰ নাম লিখা ।

খ)হীৰেণ ভট্টাচাৰ্যৰ চমু পৰিচয় লিখা ।

গ)চন্দ্ৰকুমাৰ আগৰৱালাৰ দুখন কবিতা পুথিৰ নাম লিখা ।

২০)ব্যাখ্যা কৰা —(যিকোনো এটা) ১X৪=৪

ক)এই যে পৃথিৱী স্বৰ্গতো অধিক

মানুহৰ নিজাপী ঘৰ।

খ)এনে কন্থ যাত্ৰাৰ শেষ মোৰ দেশ ।

২১)চমু উওৰ লিখা —(যিকোনো চাৰিটা) ১X৪=৪

ক)চাটুকাৰৰ স্বভাৱ কেনেকুৱা ?

খ)সত্যনাথ বৰাৰ কিমান চনত মৃত্যু হৈছিল ?

গ)অনুপান শব্দৰ অৰ্থ কি?

ঘ)বুদ্ধ শব্দৰ অৰ্থ কি ?

ঙ)শিখ ধৰ্মৰ প্ৰৱৰ্তক কোন ?

চ)ৰামানুজৰ জন্ম কত হৈছিল ?

২২)তলৰ প্ৰশ্নবোৰৰ উওৰ দুই বা তিনি শাৰী মানৰ ভিতৰত লিখা ।(যিকোনো এটা) ১X২=২

ক)সত্যনাথ বৰাৰ ৰচনাসমূহৰ দুটা বৈশিষ্ট্য লিখা ।

খ)ভাৰতবৰ্ষত বসবাস কৰা বিভিন্ন ধৰ্মাৱলম্বী লোকসকলৰ নাম পাঠটোৰ সহায়ত লিখা ।

২৩)ব্যাখ্যা কৰা –(যিকোনো এটা) ১X৪=৪

ক)ভাৰতবৰ্ষ এখন অতি সুসভ্য ঐতিহ্যপূৰ্ণ দেশ ।

খ)মিঠা মাত ব্যৱহাৰ প্ৰণালীৰ ঘাই মন্ত্ৰ ।

৩।উওৰ– জতুৱা ঠাচ ,ফকৰা যোজনা,খণ্ডবাক্য আদি হ'ল ভাষাৰ সমপদ আৰু সৌন্দৰ্য ,ভাষাৰ লালিত্য আৰু সুৰৰ মাধুৰ্য আৰু ভাবৰ উচ্চতা বৃদ্ধি কৰাত এইবোৰে যথেষ্ট সহায় কৰে ।যিবোৰ ভাষাত জতুৱা ঠাচ খণ্ডবাক্য আদিৰ ব্যৱহাৰ বেছিকৈ হয় সেই ভাষা সিমানেই চহকী হয় ।সাহিত্যৰ এক অবিচ্ছেদ্য অংগ স্বৰূপ এই ফকৰা যোজনা জতুৱা ঠাচ আদিয়ে

অসমীয়া সাহিত্যৰো ভঁৰাল চহকী কৰিছে তেনে এটি অসমীয়া ভাষাৰ সৌষ্ঠৱ বৰ্ধক ঠাচৰ বাক্য হ'ল–কিনা হাঁহৰ ঠেঁটেটোলৈকে মঙহ ।

ধন ভাঙি কিনি অনা বস্তুক মানুহে এনেয়ে পোৱা বস্তুতকৈ বহুতো বেছি মূল্য দিয়ে। সেইদৰে ধন দি কিনি অনা হাঁহৰ কোনো অংশকে মানুহে পেলাবলৈ ইচ্ছা নকৰে ,তাৰ ঠেঁটৰ মাজতো যেন মঙহ থাকে,এনেভাৱে মঙহ বাছি কুটি উলিয়ায়,আনকি খাব পৰা হ'লে মানুহে ঠেঁটটোৰো খালেহেঁতেন।
ইয়াৰ দ্বাৰা ইয়াকে বুজোৱা হৈছে যে মূল্য দি অনা বস্তুৰ সামান্য অংশও হানি হবলৈ দিয়া উচিত নহয়,সমান্য হানি হোৱা মানেই কিছু অংশ ধনৰ অপব্যয় হোৱা ।
২০ উওৰ—উক্ত কবিতা ফাঁকি আমাৰ পাঠ্যপুথিৰ অন্তৰ্ভূক্ত কবি হীৰেভট্টাৰ্যদেৱৰ ৰচিত মোৰ দেশ নামৰ কবিতাটোৰ পৰা লোৱা হৈছে।বহু দেশ ঘূৰি ফুৰি আহি কবিয়ে জীৱনৰ একমাত্ৰ শান্তি নিজৰ দেশখনতেই যে পাইছে তাকে ইয়াত প্ৰকাশ কৰা হৈছে।

কবিয়ে জীৱনত বহুতো দেশ পৰিভ্ৰমণ কৰিছে। সেই দেশবোৰত তেওঁ বহুতো ভাল-বেয়া মানুহ লগ পাইছে। তাৰ ভিতৰত বহুতো বন্ধুৰ সঁচা মৰম তেওঁ লাভ কৰিছে।সেই বন্ধুসকলৰ হাতত হাত মিলাই তেওঁ সাগৰৰ পাৰত সেউজীয়া পথাৰৰ মাজত ,মৰুভূমিৰ খেজুৰ গছৰ তলত বহিছে ,বহুতো কথা পাতিছে।তাত তেওঁ মনৰ শান্তি আৰু জীৱনৰ প্ৰাচুৰ্য্য লাভ কৰিব পৰা নাই।এইবোৰ তেওঁৰ দেশৰ সমান হব নোৱাৰে।কাৰণ কবিয়ে নিজৰ দেশখনক বৰ ভাল পায়।কবিয়ে নিজৰ দেশলৈ উভতি আহি মনৰ শান্তি ঘূৰাই পাইছে।ইয়াতে কবিৰ স্বদেশপ্ৰেমৰ ভাৱধাৰা প্ৰকাশ পাইছে ।